দেশ

নতুন দিল্লীৰ দ্বাৰকাত তৃতীয়টো অসম ভৱন উদ্বোধন মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাৰ

নতুন দিল্লীৰ দ্বাৰকাত প্রায় ২২ কোটি টকা ব্যয়েৰে নির্মিত অত্যাধুনিক অসম হাউছ উদ্বোধন কৰিলে মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই।

প্রকাশ: ২৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৫৯



third Assam House in Dwarka

নতুন দিল্লী, ২৩ নৱেম্বৰ:

নতুন দিল্লীৰ দ্বাৰকাত তৃতীয়টো অসম ভৱন উদ্বোধন মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাৰ। ৪ মহলীয়া নতুন অসম হাউছত অতিথিৰ বাবে দুটা অত্যাধুনিক কোঠা আছে VIPৰ বাবে। দ্বাৰকাৰ চেক্টৰ ১৭ত বিশাল পৰিসৰত চতুর্থটো

অসম ভৱনো নির্মাণ কৰা হ'ব বুলি ঘোষণা মুখ্যমন্ত্রীৰ

ৰাজধানী দিল্লীলৈ যোৱা অসমৰ লোকসকলৰ সুবিধার্থে নতুন দিল্লীৰ দ্বাৰকা ছেক্টৰ-১৩ত নৱনির্মিত অসম হাউছৰ শুভ উদ্বোধন কৰে মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই। চিকিৎসা, শিক্ষা আৰু চৰকাৰী কাম-কাজৰ বাবে দিল্লীলৈ যোৱা অসমৰ ৰাইজক সুচলভাৱে থকাৰ সুবিধা প্রদানৰ লক্ষ্যৰে এই ভৱনটো নির্মাণ কৰা হৈছে।

মুখ্যমন্ত্রীগৰাকীয়ে জনোৱা অনুসৰি, প্রায় ২২ কোটি টকা ব্যয়েৰে এই অত্যাধুনিক অসম হাউছ নির্মাণ কৰা হৈছে। পাঁচমহলীয়া এই ভৱনটোত তিনিটা বেছমেণ্ট, এটা গ্রাউণ্ড ফ্লৰ’ৰ আৰু চাৰিটা মহলা আছে। ভৱনটোৰ মুঠ নির্মিত এলেকা হৈছে ২,৬১০ বর্গমিটাৰ।

দ্বাৰকাৰ ছেক্টৰ-১৩ৰ প্লট নম্বৰ ১০ত অৱস্থিত এই ভৱনটোৰ জৰিয়তে বিশেষকৈ শিক্ষার্থী আৰু চিকিৎসাৰ বাবে দিল্লীত থাকিবলগীয়া ৰোগীসকলে বিশেষ সুবিধা লাভ কৰিব বুলি মুখ্যমন্ত্রীয়ে আশা প্রকাশ কৰে।

দিল্লীত নির্মাণ হ'ব চতুর্থটো অসম ভৱন

উদ্বোধনী অনুষ্ঠানত ভাষণ প্রদান কৰি মুখ্যমন্ত্রীয়ে উল্লেখ কৰে যে দ্বাৰকাৰ এই ভৱনটো দিল্লীত অসমৰ তৃতীয়টো অসম ভৱন। ইয়াৰ উপৰি চর্দাৰ পেটেল মার্গত থকা পুৰণি অসম ভৱনটোৰ নৱনির্মাণৰ কাম চলি আছে আৰু এই বছৰৰ ভিতৰতে ই সম্পূর্ণ হ’ব বুলি আশা কৰা হৈছে।

মুখ্যমন্ত্রীয়ে লগতে জনায় যে দ্বাৰকাৰ ছেক্টৰ-১৭ত অসমৰ চতুর্থটো অসম ভৱন নির্মাণৰ পৰিকল্পনা কৰা হৈছে। অহা ফেব্রুৱাৰী বা মার্চ মাহৰ পৰা ইয়াৰ নির্মাণ কার্য আৰম্ভ কৰাৰ লক্ষ্য লোৱা হৈছে। দ্বাৰকাৰ অসম হাউছৰ কাষতে কার্বি ভৱন আৰু ডিমাচা ভৱনৰ নির্মাণৰ কামো চলি আছে।

দ্বাৰকাৰ পৰা নতুন দিল্লীৰ বিভিন্ন চৰকাৰী কার্যালয়লৈ যাতায়াতৰ সুবিধাৰ বাবে অসম হাউছৰ পৰা এখন বাছ চলোৱাৰ কথাও মুখ্যমন্ত্রীয়ে ঘোষণা কৰে। এই বাছখনে পুৱা যাত্রীসকলক লৈ যাব আৰু সন্ধিয়া প্রায় ৬ বজাত পুনৰ ঘূৰাই আনিব বুলি মন্তব্য কৰে মুখ্যমন্ত্রীয়ে ।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5520/assam-house-inaugurated-dwarka-delhi-himanta-biswa-sarma